কৰিব পৰা নাই। এইখিনি সচা কথা। সেই কথা মই অস্বীকাৰ নকৰো। এই সন্দর্ভত, মই মাননীয় সদস্য সকলক দকৈ বিবেচনা কৰিবলৈ অনুৰোধ কৰো আৰু তেখেত সকলে যেন এইকথা attention divert কৰিবলৈ হৈছে বুলি নাভাবে। এই অনাস্থা প্রস্তাৱৰ পৰিণতি যিয়েই নহওক, মই ভাবো। মাননীয় সদস্যসকলক আগতে অসমৰ ৰাজনৈতিক কোন আৰু অন্যান্য দিশৰ পৰা উদ্ভৱ হোৱা কথা বিলাক আমাৰ ফালৰ পৰা কোৱাটোও দৰ্কাৰ ; যেনেকৈ মাননীয় সকলে চৰকাৰৰ দোষ ত্রুটি বিলাক দেখুৱাই দিয়া ; ৰাইজৰ দুখদুৰ্দ্দশাৰ কথা কোৱা দৰ্কাৰ, সেইদৰে আমাৰ ফালৰ পৰা কোৱাটোও আৱশ্যক। মাননীয় অধ্যক্ষ মহোদয়, সিদিনা আমাৰ গোলাঘাটৰ মাননীয় সদস্যজনে কথাৰ প্রসঙ্গত এটা ডাঙৰ কথা কৈ গৈছে আৰু সেইকথাত গুৰুত্ব দিব লাগে বুলি কৈছে। তেখেতে কৈছে যে, বৰ্ত্তমান যি পৰিস্থিতি উদ্ভৱ হৈছে—তাৰৈ চাই নগাপাহাৰৰ ভিতৰৰ পৰা অসমৰ ওপৰত আক্রমন চলোৱা সম্ভাৱনা আছে। নগা পাহাৰৰ পৰিস্থিতিৰৈ চাই এই কথাৰ তাৎপর্য্য গুৰুত্বপূর্ণ বুলি কব পাৰি। কোনো বিদেশী শক্রৱে নগালেণ্ড যদি কিবা অঘটন ঘটায় বা 'বেচ' (base) কৰে তেন্তে অসমেও তাৰ পৰিণতি ভোগ কৰিব লাগিব। যাই হওক, মই ঠোৱতে ইমানকে কব খুজিছো যে, মাননীয় সদস্য গৰাকীয়ে যি কথা প্রসঙ্গত কৈ গ'ল—সেইকথাৰ ওপৰত আমাৰ বিশেষ গুৰুত্ব দিব লগা আছে।

দ্বিতীয় কথা হৈছে—অসমৰ পুণৰ গঠন সম্পর্কত পর্ব্বতীয়া জিলা কেইখন আৰু ভৈয়ামত যিবিলাক নতুন নতুন শক্তিয়ে মূৰ দাঙি উঠিছে-সেই বিলাকক অৰজ্ঞা কৰিব নোৱাৰি। ইয়াৰ পৰিণতি কি হয় কব নোৱাৰি ; কিন্তু বিধান সভাৰ মাননীয় সদস্য সকলে এই অৱস্থা বিলাকৰ কথা নিশ্চয় মনত ৰাখিব। সিদিনাখন চেক্রেটৰীয়েটত যি বোমা ফুটিলে, সেই সম্পর্কে কাইলৈ মই এটা বিবৃত্তি দিম। তাৰপৰা দেখা পাব যে এই পৰিস্থিতি সহজ ধৰণৰ নহয়।

(A voice (who made this ?)

যেয়ে নকৰক, বাস্তৱ কথা এটা কৈছো।

খাদ্য অনাটনৰ বিষয়ে এই কথা স্বীকাৰ কৰো যে খাদ্য আন্দোলন বিলাক বিশেষকৈ চহৰ অঞ্চলত হৈছে যদিও গাওঁ অঞ্চল বিলাকৰ লোকেও খাদ্যৰ অভাৱত বহুখিনি দুখকষ্ট পাইছে। তাৰপিচত নিবনুৱা সমস্যা সম্পর্কত কব যে—এইটো এটা ডাঙৰ সমস্যা হৈ পৰিছে। আজি কেইবছৰমানৰ আগলৈকে

অসমত graduate নিবনুৱা সকলৰ সমস্যা ডাঙৰ হৈ উঠা নাছিল। কিন্তু বৰ্ত্তমান চহৰ আৰু গ্ৰাম অঞ্চলত শিক্ষানুষ্ঠান—যেনে স্কুল, কলেজ আদি স্থাপিত হোৱাৰ ফলত graduate নিবনুৱাৰ সংস্যা বৃদ্ধি পাইছে। এই নিবনুৱা সমস্যাৰ সমাধান কৰাৰ একমাত্ৰ উপায় হৈছে শিক্ষা আৰু কৃষি চিন্তাৰ যাতে ক্ষিপ্ৰ গতিত হয় তাৰ উপায় উদ্ভাৱন কৰা। শিক্ষাক্ষেত্ৰত শ্ৰীযুত গৌৰীশঙ্কৰ ভট্টাচাৰ্য্য ডাঙৰীয়াই চৰকাৰে এতিয়ালৈকে ধন খটোৱা শিক্ষা কেইটামানত কেনেকৈ ক্ষতি হৈছে বা উপাৰ্জ্জন হোৱা নাই এই কথা কাজে কলমে গৈছে। এই সম্পৰ্কত মই দুআষাৰ মান কও যে শিক্ষা ক্ষেত্ৰত পিচপৰা এখন ঠাইত যত উদ্যোক্তাৰ অভাব, তত শিল্প বিস্তাৰ কৰা কাৰ্য্য, শিল্প বিস্তাৰিত ভাবে গঠিত হোৱা বাক্যতকৈ অধিক জটিল। প্ৰথম কথা হৈছে যাতায়তৰ অভাৱৰ উপৰিও অন্যান্য সাম্ৰবিধা বা ভৌগলিক অৱস্থা নথকাৰ কাৰণে, Private Sector ত বিভিন্ন শিল্প গঢ়ি উঠাত বাধা পাইছে। উদ্যোক্তা সকলেও এনে অৱস্থাত কলিকটাৰ কথা প্ৰথমে ভাবিব আৰু তাৰ পিচতহে অসমৰ কথা। এনে অৱস্থাত শীঘ্ৰবিস্তাৰৰ কাৰণে উদ্যোপতি, এণ্টাপ্ৰিনিয়ৰ সকলক সহায় কৰিব লাগিব।

কাৰণ শিল্প আমাক লাগে, কিয়নো তাৰ দ্বাৰা আমাৰ ৰাজ্যৰ উপাৰ্জ্জনতো বৃদ্ধি কৰা হবই লগে লগে নিবনুৱা সমস্যাৰো সমাধান কৰিব লাগে। আমাৰ ৰাজ্যত মূলধনৰ নাটনি কাৰণে এই শিল্পানুষ্ঠানবোৰ বা চৰকাৰে সহায় কৰিব লগা হৈছে; আৰু এইটো মই সম্পুৰ্ণ বিশ্বাস কৰো যে State Electricity Board য়েই হওক বা অন্য কোনো শিল্পই হওক বৰ্ত্তমানে যি লোকচান আছিছে সি অকল আমাৰ অসমতে নহয়, দুই এখন সৌভাগ্যশালী ৰাজ্যৰ বাহিৰে ভাৰতৰ অন্যান্য ৰাজ্যবো সেই একে অবস্থা কিন্তু নিশ্চয় ভবিষ্যতে ধন অৰ্জ্জনত আগবাঢ়িব। অবশ্যে এইখিনিতে এটা কথা আছে; বৰ্ত্তমানে গঢ়ি উঠা শিল্পানুষ্ঠানসমূহ যাতে ভালৰকমে পৰিচালিত হয় তালৈ চকু দিব লাগিব। বৰ্ত্তমানৰ সঞ্চালনেই প্ৰধান কথা ভালকৈ গঢ়ি উঠিলে, বৰ্ত্তমান যি ক্ষতি হৈছে, ভবিষ্যতে সেইটো নহয়। আৰু সেইটো যাতে নহয়, তাৰ ব্যবস্থা লব লাগিব।

আমাৰ কৃষিৰ ক্ষেত্ৰত মই কও যে এতিয়া আমি যি খাবলৈ পাইছো, সি আমাৰ কৃষকসকলৰে উৎপাদনৰ শস্য—মই দেখিছো যে বৰ্ত্তমান আমাৰ কৃষক সকলৰ আসাৰপৰা, বিশেষকৈ High yielding variety ৰ শস্য উৎপাদন কৰিবলৈ তেওঁলোক সাজু হৈছে। তেনেধৰণৰ কৃষিকাৰ্য্যৰ কাৰণে সকলো

কৃষকৰ মনোযোগ আকৰ্ষণ হৈছে। আৰ্জি তেনে পদ্ধতিবে বহুকৃষকে কৃষিৰ উন্নতি কৰিবলৈ ওলাইছে। সেইবিধ ধানৰ শচ বঢ়াবলৈ কেইবাটাও উপাদানৰ দৰকাৰ যেনে ভাল শচ, পানী, সাৰ ইত্যাদি এইবিলাকৰ ঠিকমতে যোগান পাৰ লাগিব গতিকে এইবিলাক যোগান ধৰাৰ কাৰণে যিবিলাক অনুষ্ঠানৰ সৃষ্টি হৈছে—যেনে পঞ্চায়ত, কোপাৰেটিভ আদি অনুষ্ঠানসমূহ শক্তিশালী কৰিব পাৰিব লাগিব।

মাটি সম্পৰ্কে আমাৰ বাজহ মন্ত্ৰী ডাঙৰীয়াই আপোনালোকক ইয়াৰ আগতে দুষাৰ কৈছে- মাটিৰ ওপৰত হেচা নানা ফালৰ পৰা পৰিছে এটা হেচা স্থানীয় মাটিহীন কৃষকৰ ফালৰ পৰা অন্য এটা হল বহুবিলাক বহিৰাগত লোক, বিশেষকৈ আশ্রয় প্রাৰ্থী আমাৰ ইয়ালৈ যিসকল আহিছে, তেওঁলোকৰ পৰাও মাটিৰ ওপৰত হেচা হৈছে- সেইকাৰণে ইচ্ছা কৰিলেও সকলো ভূমিহীন সকলোক মাটি দিব নোৱাৰি।

তাৰ পিচত আমাৰ ৰাজ্যৰ পৰিপুষ্টিৰ কাৰণে অপৰিহাৰ্য্য ভাবে সংৰক্ষণ কৰিবলগীয়া আৰু অন্যান্য আৱশ্যকীয় যিখিনি Forest Reserve থাকিব লাগে তাৰ বাহিৰে যি মাটি আছে সেই মাটিখিনি নিশ্চয় ক্ষিপ্রগতিত পাবলগা মানুহক বিতৰণ কৰিব লাগে অৱশ্যে বৰ্ত্তমান আমাৰ মাটি বিতৰণত বহুত বেমেজালী আছে এতিয়া সিদিনা সিবাসাগৰ জিলাত অলপ মাটি ওলাইছে সেইখিনি মাটি ৫০০ জন মানুহক দিব পাৰি কিন্তু প্রায় ৫০০০০ মানুহৰ দৰ্খাস্ত পোৱা হৈছে। তাৰ পৰা ৫০০ দৰ্খাস্তকাৰী বাচি উলিয়াই মাটি দিব লাগে গতিকে মাননীয় সদস্য সকলে ভাবি চাওক এইটো কৰা কিমান টান তাৰ পিচত নগাও জিলাত মই জনাত Land Advisory Board ত প্রায় ৫০ জন সভ্য আছে; সেই সভ্য সকলে সহজে এটা কাম কৰা সম্ভব নহয়।

সেই কাৰণে, এইবিলাক কেনেকৈ ক্ষিপ্রগতিত দিব পৰা যায় তাৰ উপাৰ আমি চিন্তা কৰিছো, অবশ্যে এটা কার্য্যকাৰী আচনি তৈয়াৰ হৈ আছে; হয়তো অহা অধিবেশনত আপোনালোকৰ আগত ডাঙি ধৰিব পৰা হব।

অর্থনৈতিক সমস্যা সম্পৰ্কে শ্রীগৌৰীশঙ্কৰ ভট্টচার্য্যই এখনি ছবি ডাঙি ধৰিছে সেইখনেই প্রকৃত ছবি বৰ্ত্তমান দেশত, মই ভাবো, অকল অসমৰে নহয়, ভাৰতৰ আন বহুত ৰাজ্যৰ অর্থনৈতিক ছবি এনেকুৱাই হৈছে। বৰ্ত্তমান ভাৰতবৰ্ষৰ অর্থনৈতিক ছবি, মহাৰাষ্ট্ৰৰ বাহিৰে বাকী সকলোতে এনে অবস্থা। এই অবস্থা, মোৰ বিশ্বাস স্থায়ী ভাবে চীৰদিন নাথাকিব; ইয়াৰ নিশ্চয় উন্নতি

হব । ইংলণ্ড বা আমেৰিকাতো এনেকুৱা অবাস্থা হয় । বৰ্ত্তমান ভাৰতবৰ্ষৰ এনে অর্থনৈতিক অবস্থা হোৱা কাৰণ বহুত- বিশেষকৈ কৃষিৰ ডাঙৰ অঞ্চল বিলাকত কৃষিৰ অকৃতকার্য্য হোৱা কাৰণে আজি এই অবস্থা হৈছে । আজি যিটো অবস্থা হৈছে সেইটো সদায় থকা অবস্থা নহয় ।

Deportation ৰ অবস্থাও সেই একেটাই । সেই বিষয়তো এনে এটা অবস্থা হৈছে । কিন্তু সকলোৰে এইটো দৃঢ় মত যে আমাৰ দেশত বেআইনী ভাবে অন্য দেশৰ মানুহ থাকিব দিব নোৱাৰি বিশেষকৈ পাকিস্তানী মানুহ । যেতিয়াৰ পৰা ভাৰতবর্ষ বা অসমৰ ওচৰচুবুৰীয়া দেশৰ লগত, নগাবিদ্রোহী বা মীজো সকলে অস্ত্রৰ আদান প্রদান কৰি এই দেশৰ ক্ষতি সাধণ কৰিবলৈ লৈছে, সেই পাকিস্থানীৰ বহিস্কাৰ নীতি দৃঢ় ভাবে চৰকাৰে লৈছে । ইয়াৰ যি কোনো পদ্ধতিৰ সংশোধন কৰা আবশ্যক, সময়মতে সকলো কৰি থকা হৈছে । শ্রীচামছুল হুদাই চিং পুলিচ ষ্টেচনৰ পৰা পাকিস্থানী বহিস্কাৰৰ ক্ষেত্রত কোনো আব্দুল চালেম বুলি এজনক Quit India notice দিয়া কথা উল্লেখ কৰিছিল ।

Mr. Shamsul Huda (Dhing) মই এজন মানুহ বুলি কোৱা নাই ..... Shri Bimala Prasad Chaliha কিন্তু নামটো নিশ্চয় আব্দুল চালেম, এই মানুহ জন বা ৬-৯-৬৫ তাৰিখে Quit India notice দিয়া হৈছিল । তাৰ পিচত সেই কথাটো Tribunal ত গল ভাত কথাটো নাকচ কৰিলে তেতিয়া সেই লোকজনে Civil Court অ আপীল কৰিছে ।

(A Voice এইটো কথা নহয়) .....

Mr. Shamsul Huda বর্ত্তমানে যি মানুহক নোটিচ দিয়া হৈছে সেইজন নতুন মানুহ পুৰণা জনক দিয়া হোৱা নাই ।

Shri Bimala Prasad Chaliha ভাল, মই এইটো চাম । শাসন ব্যবস্থাত Corruption থকা বুলি যি কৈছে সেইটো মই নথকা বুলি নকও বা নিশ্চয় আছে । আৰু Corruption ৰ বাবে কোনো প্রতিকূল ব্যবস্থা চৰকাৰৰ পক্ষৰ পৰা লোৱা হোৱা বুলি কোৱা কথাটো সচা নহয় যথেষ্ঠ মুনফাকাৰীৰ বিৰুদ্ধে মোকৰ্দ্দমা চলাই থকা হৈছে । অবশ্যে ইয়াক নির্ম্মূল কৰিবলৈ আৰু কঠোৰ ধৰণৰ ব্যবস্থা লাগে এইটো মই স্বীকাৰ কৰো। তাৰ কাৰণে বাইজৰ সহযোগৰ দৰ্কাৰ ।

Tribal Belt সম্পর্কে, Belt ৰ ভিতৰত যি বেদখল হৈছে সেই সম্পর্কে মাননীয় সদস্য সকলে যি কথা কৈছে, সেই কথা আমি আগতেও আলোচনা কৰিছো; আৰু তাৰ ওপৰত গুৰুত্বও দৰ বেচি, সকলোৱে দলগত কথালৈ আওকান কৰি সেই সমস্যা সমাধান কৰিব লাগে তাকে কৰোতে যি বাধা আছে, সেইটো কথা মাননীয় সদস্য সকলে উপলব্ধি কৰিব লাগে। তাৰ সংৰক্ষিত লোকৰ বাহিৰে বাকী লোকক তুলি দিব লাগে। এইটো কৰিবলৈ উচ্ছেদ আদি কৰাৰ প্ৰয়োজন হয়।

Shri Maneswar Boro— যদি মাটি দিব দোৱাৰি তেন্তে কি কাৰণে চৰকাৰে দিলে ইয়াৰ কাৰণে নথিপত্ৰও হৈছে।

Shri Bimala Prasad Chaliha—এইটো চৰকাৰে যদি কাৰৰাক দিছে তেন্তে বাধ্য হৈ দিছে চৰকাৰে দিয়াৰ কথা হোৱা নাই।

মাননীয় অধ্যক্ষ মহোদয়, ট্ৰাইবেল বেল্ট সম্পর্কে মাননীয় সদস্য সকলে যিখিনি কথা কৈছে সেই খিনি কথাৰ আলোচনা মই আগতে কৰিছো। আৰু এতিয়াও কওঁ সেই বিষয়টোৰ প্ৰতি মই বিশেষ গুৰুত্ব দিও। কিন্তু যিমান খৰকৈ এই সমস্যাৰ সমাধান কৰিব লাগে তাক কৰাত যিবিলাক বাধা আছে, অসুবিধা আছে সেইটো কথা মাননীয় সদস্য সকলে উপলব্ধি কৰিব লাগে। ট্ৰাইবেল বেল্ট Clear কৰিবলৈ হলে উচ্ছেদ আদি কৰা অত্যন্ত প্ৰয়োজনীয় হৈ পৰে।

(A Voice— জনজাতীয় মানুহক যেতিয়া চৰকাৰে মাটি দিবই পৰা নাই তেন্তে ট্ৰাইবেল ব্লকৰ মাটি কিয় আন মানুহক দিছে ?)

Shri Bimala Prasad Chaliha চৰকাৰে যদি কেতিয়াবা তেনে মাটি আনক দিছে, তেন্তে কেতিয়া দিছে বা কি অবস্থাত দিছে ? ভগনীয়া শৰণার্থী বা বানবিধ্বস্ত মানুহক বিশেষ পৰিস্থিতিত হয়তো কেতিয়াবা দিব লগা হৈছে।

Shri Bhubaneswar Barman (Patacharkuchi) : ট্ৰাইবেল বেল্টৰ মাটি বেচা কিনা কৰিব পাৰে নে নোৱাৰে ?

Shri Bimala Prasad Chaliha :

সেইটো মই চাইহে কব পাৰিম। যিহওক এই বিষয়ে এটা সিদ্ধান্ত কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে ইউ, এন ট্ৰেদৰ কমিশ্যনাৰ নিয়োগ কৰিছে সেই কমিশ্যনৰ অনুমোদনাৰ ওপৰত ভাৰত চৰকাৰে কি সিদ্ধান্ত লয়

তাক আমি পোৱা নাই। এই সমস্যা সম্পর্কে মাননীয় সদস্য সকলে যি কৈছে সেই কথা মযো কম উপলব্ধি কৰা নাই এতিয়া প্রশ্ন হল কেনেকৈ এই সমস্যা সমাধান কৰিব পৰা যায়। খাদ্য সমস্যা, মাটি সমস্যা, অসম পুণৰ গঠনৰ সমস্যা, অসমৰ নিৰাপত্তাৰ সমস্যা এই বিলাকৰ সমাধানৰ বাবে কি উপাই আছে সেইটোহে ভাবিব লগিয়া কথা। গৌৰীশঙ্কৰ ভট্টাচাৰ্য্য ডাঙৰীয়াই কৈছে কংগ্রেছ দলে শতকৰা ৫৮ ভাগ ভোট পাইছে যি পক্ষই কিয় পোৱা নাই। সেইটো জানো মোৰ দোষ ? APHLC এ কৈচে অসমক বিভক্ত কৰি দিয়াৰ কথা, কিন্তু সেইটো আপোনালোকে মনা নাই। ইয়াত মই কি কৰিব পাৰো।

অধ্যক্ষ মহোদয়, সত্যাগ্রহৰ বিষয়ে কেইবা ঠাইতো উল্লেখ কৰা হৈছে। সত্যাগ্রহ সম্পর্কে মযো কিছু অধ্যয়ণ কৰিছিলো কিচুবিনাস মিশ্রে রালাৰ কিতাপত সত্যাগ্রহৰ পন্থাৰ কথা উল্লেখ কৰিছে। সত্যাগ্রহৰ প্রথম কথা হল—সমঝানা আৰু বুঝানা সেইটো নহলে অহিংসা সমযোগ, তাৰ পাচত (Civil disobedience) তাতো যদি নহয় তাৰ পিচতহে আমৰণ অনশন ; বৰ্ত্তমান যিবোৰ সত্যাগ্রহ হৈছে ইয়াৰ লগত কোনো মিলেই নাই। বৰ্ত্তমান সত্যাগ্রহত পোন প্রথমেই পন্থা লোৱা হয় "আমৰণ অনশন।

Shri Dulal Chandra Barua : যি সত্যাগ্রহৰ কথা তেখেতে কৈছে তাৰ বহু চেষ্টা কৰা হৈছিল। কিন্তু কোনেও নেদেখিলে কোনেও নুবুজিলে।

Shri Bimala Prasad Chaliha— খাদ্য-সমস্যাৰ বিষয়ে সদনত আলোচনা যথেষ্ট হৈছে। বিৰোধী দলৰ নেতা সকলৰ লগত যোৱা ২২ তাৰিখেও আলোচনা কৰা হৈছিল। তাৰ পিচত চামচুল হুদা ডাঙৰীয়াই R.C.P.I. ৰ তৰফৰ পৰা যি ultimatum দিছিল সেই বিষয়ে মই মুখেৰে কোৱাৰ উপৰিও টেলিগ্রাম যোগেও খাদ্য পৰিস্থিতিৰ বিষয়ে জনাইছিলো। সেই স্বত্তেও demonstration দিলে কিয় বুজি নাপালো। এইখন গণতন্ত্রৰ দেশ। ৰাইজে ইচ্ছা মতে সকলো কৰিব পাৰে। কিন্তু মই নিজৰ অভিজ্ঞতাৰ পৰা কৈছো যে এই সমস্যাৰ সমাধান শান্তিপূর্ণ ভাৱে নকৰিলে আন কোনো উপাই নাই।

জকাইচুকত চৰকাৰে মাটি পত্তা দিলে যদিও সমস্যাৰ সমাধান নহল। মাটিৰ প্রতি মানুহৰ মাদকতাহ এনে অবস্থাৰ সৃষ্টি হোৱাৰ কাৰণ। এই মাদকতাৰ কাৰণে নানা গণ্ডগোলো হয়। সেইকাৰণে মই বিৰোধী দলৰ সদস্য সকলক কৈছো যে ইয়াৰ কিবা এটা পন্থা দিয়ক, যাতে ইয়াৰ কিবা এটা সমাধান কৰিব পৰা যায়।

তাৰ পিচত Teachers strike সম্বন্ধে শ্ৰীবৰ্মণ ডাঙৰীয়াই উল্লেখ কৰিছে। চৰকাৰৰ ওচৰত দাবী কৰে নাটনী হৈছে ধন বঢ়ায় দিব লাগে যদি চৰকাৰৰ এনে এটা পুঁজি থাকিল হেতেন তেনে হলে বিচৰা মাত্ৰকে মঞ্জুৰ-কৰিব পাৰে। কিন্তু যেহেতু সেইটো নহয় আৰু ভাৰত চৰকাৰৰ ওচৰত ধন বিচাৰিব লাগে, সেইকাৰণে অলপ সময় লাগে। সেইখিনি ধৈর্য্য নেথাকিলেনো কেনেকৈ হব! তাৰ পিচত সাহায্যপ্ৰাপ্ত হাইস্কুলৰ প্ৰতিনিধিৰ লগত দুদিন ধৰি আলোচনা কৰি কিছুমান সিদ্ধান্ত লোৱা হল, agreed decision. তথাপিটো strike চলি থাকিল আজি যদি কোনো ঠাইত অশান্তিৰ সম্ভাৱনা হয় আৰু কোনো জিলা উপায়ুক্তই শান্তিশৃঙ্খলা ৰক্ষাৰ কাৰণে ১৪৪ ধাৰা বা curfew দিব লাগে বুলি কয়, তেনে পৰিস্থিতিত কেনেকৈ কয় নিদিব বুলি। যিবিলাক ঘটনা হৈ গৈছে তাত মই দুখ পাইছো। লগতে মই এইটো অনুৰোধ কৰিছো যে সেই ঘটনাবিলাক যাতে কৰিবলৈ নেপায় তাৰ কাৰণে চেষ্টা কৰিব লাগে কাৰণ ঘটনাবিলাক ঘটিলে চম্ভালিবলৈ বৰ টান হয়।

মাননীয় সদস্য শ্ৰীধনী বৰাই অসন্তোষ প্ৰকাশ কৰিছে pipe সম্বন্ধে চৰকাৰে সিদ্ধান্ত নোলোৱাত। সেইবিষয়ে দুশাৰমান কওঁ। সেইটো হৈছে ১৯৫৩ চনৰে কথা। সেই সময়ত ভাৰত চৰকাৰৰ disposal ত কিছুমান pipe আছিল। সেই pipe বিলাক কৃষিৰ কাৰণে লাগেনে বুলি সোধাত অসম চৰকাৰে কলে 'লাগে'। (কিমান টকাৰ pipe) মই সংখ্যাটো কব নোৱাৰো। ভাৰত চৰকাৰে অসম চৰকাৰক pipe বিলাক দিলে। তাৰ পিচত প্ৰশ্ন আহিল—pipe বিলাক কেনেকৈ ব্যৱহাৰ কৰা হব। (অসম চৰকাৰে কিনিলেনে এনেয়ে দিলে) Book transfer কৰি দিলে, টকা-পয়ছাৰ লেন-দেন কৰি নিদিয়ে। এই pipe বিলাক ব্যৱহাৰ কৰিবলৈ অসম চৰকাৰৰ পৰা প্ৰায় ২৫ টা মান পাৰ্টিয়ে নিলে। কিন্তু সেই মানুহ বিলাকে যেতিয়া দেখিলে সেই সময়ত বজাৰত pipe ৰ দাম বেচি আছিল, সেইকাৰণে যি কামৰ কাৰণে নিছিল সেই কামত অৰ্থাৎ কৃষিৰ কামত ব্যৱহাৰ নকৰিলে। এইটোকে Public Accounts কমিটিৰ অনুমোদন ক্ৰমে Justice ৰাম লাভায়াক তদন্ত কৰিবলৈ দিয়া হল। সেই ৰিপৰ্ট Public Accounts কমিটিক দিয়া হল। তেওঁ এই কেইটা কথাত broad conclusion দিছে।

Broad conclusions in the Commission's Report

1). It is difficult to say that the decision to acquire the pipes for the purposes for which the Government of India issued them was unreasonable. The circumstances under which the decision was arrived at lead to the conclusion that it was prompted by honest belief that there would be no insurmountable difficulties in utilising the pipes for the desired purposes.

2). There is no allegation or evidence that corruption in the sense of acceptance of illegal gratification was the prompting factor for any order or decision regarding acquisition and disposal of the pipes. There would be no reasonable ground or basis for recommending any criminal proceedings against anyone.

3) Ministers may also be sued for acts which constitute civil wrongs, but it is only persons aggrieved who have the privilege of instituting suits against Ministers or Government. The State has no such remedy against its own Ministers.

In this case it would serve no useful purpose to consider whether any acts or commissions would justify action against any Minister on the ground of his failure to discharge duly his responsibility to the Legislature or the Electorate.

4) Disciplinary action is always possible against any officer on grounds of inefficiency and negligence, but most of the officers who might have been concerned with any act of inefficiency or negligence have alrany retired from service and are not subject to any disciplinary action.

Observations and suggestions in the Commissioners report

1). Appointment of a Handling agent was in violation of the terms and conditions on which Government of India released the pipes.

The State Government, however, considered after due examination at that it would be in the interest of the administration to entrust the work to a Handling Agent. The view was taken that the appointment of a Handling Agent did not constitute any violation of the Government of India's instructions.

2). The decision to issue pipes to private parties for use in 'Grow More Food Campaign' when sponsored by departmental agenies was wrong and contrary to Government of India's instructions.

The State, Government, however, considered the matter at the time and came to the conclusion that issue of pipes for Government sponsored purposes was as good as utilisation of pipes by Government for its own purpose.

3). The remuneration fixed for the Handling Agent was liberal.

Here also the remuneration was fixed after due examination by all concerned including Finance. Legal advice had also been taken.

4). The agreement entered into with the private parties to which the pipes have been issued was not comprehensive enough to guard against possible misuse. The agreement was drawn up in consultation with all concerned and legal advice had been taken.

5). There was no follow-up action to ascertain whether the pipes were used by the private parties for the purposes for which they were issued.

The commission was at the field level as well as at the Secretariat level of the Supply and Agriculture Departments.

6). Although in most cases the pipes do not appear to have been utilised for the desired purposes, no action had been taken to sue the parties to recover liquidated damages provided for in the Agreements.

It might be explored if civil action against the parties at fault could be taken up although at this distance of time this might prove difficult.

মাননীয় অধ্যক্ষ মহোদয়, P.A.C. ব প্রতিবেদনখন চবকাবক দাখিল কবে—চবকাবব action ব কাবণে। এইবিষয়ত আমি বিবেচনা কবি, সেই আপত্তিবিলাকব সন্দর্ভত মোকৰ্দ্দমা আদি বজুকবি, কিমান দিনব মূবত কিমান ফলবতী হব পাবো সেইটো সন্দেহব কথা।

অধ্যক্ষ মহোদয়, ইয়াব পিচত মই এই কথা কব খুজিছো যে, এই সমালোচনা প্রসঙ্গত ওলোৱা যিবিলাক ব্যক্তিগত বা শাসনব্যৱস্থাব আসোৱাহ-সেইবিলাক দূব কবাটো বাঞ্চনীয় আক সেই দোষক্রটি বিলাক দূবকবিবলৈ চবকাবী নীতি পবিবর্ত্তনব আৱশ্যক হব আক তাব অনুসন্ধান হব লাগিব। আমি আমাব ফালব পবা এই বিলাক কবিবলৈ প্রস্তুত আছো আক যি বিলাক আসোৱাহ কৃষি, শিল্প সববৰাহ আক আইন শৃঙ্খলা ক্ষেত্রত ঘটিছে সেই বিলাক দূব কবিবলৈ চেষ্টা কবিম। কিন্তু এই সন্দর্ভত এই কথাও—কব খুজিছো যে, এই কার্যত মিবেকল্ (Miracle) দেখুৱাব নোৱাৰো আক যি সমস্যা সর্ব্বভাবতীয় সমস্যাব লগত জড়িত সেই সমস্যাব সমাধান কবিব পবা টান হব কিন্তু আমাব সীমাব ভিতবত থকা সমস্যা সমূহব সমাধান কবিবলৈ নিতান্ত চেষ্টা কবিম।

Shri Gauri Sankar Bhattacharjyya : মাননীয় অধ্যক্ষ মহোদয়, যেহেতু মুখ্য মন্ত্রী ডাঙৰীয়াই অসমীয়াতে কলে, মইও মোৰ মন্তব্য অসমীয়াতে কৰিবলৈ চেষ্টা কৰিম। আমি জানো যে এনে কোনো শাসন ব্যৱস্থা পৃথিৱীত হব নোৱাৰে যি শাসন ব্যৱস্থা সম্পূর্ণ নিখুঁট। মহাত্মা সকলৰ বাহিৰে আন কোনো মানুহ নাই যি ব্যক্তিগত জীৱনতো সম্পূর্ণ নিখুঁট। সেই কাৰণে, যদি শাসন ব্যৱস্থাত খুঁট থকাৰ কাৰণেহে অর্থাৎ শাসন ব্যৱস্থাৰ যন্ত্রত খুঁট থকাৰ কাৰণে এই অনাস্থা প্রস্তাৱ অনাহৈছে বুলি ধৰা হয় তেনে-হলে আমাৰ প্রতি অবিচাৰ কৰা হব। এই অনাস্থা প্রস্তাৱ উত্থাপন কৰা হৈছে-মৌলিক কথাৰ ওপৰত। অনাস্থা প্রস্তাৱ উত্থাপন কৰা হৈছে এই চৰকাৰৰ মৌলিক দায়িত্ব পালনত ব্যর্থতা হেতুকে। যি চৰকাৰ জন সাধা-ৰণক ৰক্ষাকৰাত অপৰাগ, যি চৰকাৰ দুষ্টক দমন আৰু শিষ্টক পালন কৰাৰ পৱিত্র কর্ত্তব্যত ব্যর্থ হৈছে আমাৰ অনাস্থা প্রস্তাৱ সেই চৰকাৰৰ বিৰুদ্ধে। শাসনৰ এই মৌলিক কথাটোতে চৰকাৰ ব্যর্থ হৈছে আৰু সেই কাৰণে আমি চৰকাৰক দোষী বুলি ভাবোঁ। যিকোনোসৎ চৰকাৰৰ উদ্দেশ্য " পৱিত্রানায় সাধুনাম্—বিনাশায়চ দুস্কৃতম্ অর্থাৎ, সাধুক পৱিত্রান কৰি; অসাধুক বিনাশ কৰাটো হোৱা উচিত; কিন্তু এই চৰকাৰৰ দৃষ্টিত আমি দেখিছোঁ, যি সকল অসাধু যি সকলে চোৰাং কাৰবাৰ কৰে, যি সকলে খাদ্য ভেজাল কৰে, যি কৃষক আৰু শ্রমিকক প্রতাৰনা কৰে, যি সকল সমাজ বিৰোধী সেই সকলক বিনাশ কৰিব দুৱৰকথা, সেইসকলহে চৰকাৰৰ প্রিয় পাত্র আনহাতে, সৎ শ্রমজীৱী জনতাৰ ওপৰত চলিছে অকথ্য অত্যাচাৰ। কেইটামান কথাত আমি অৱশ্যে সিফালৰ মাননীয় সদস্যসকলৰ লগত একমত। একমতা যেনে, শ্রীযুক্তা ৰাণী মঞ্জুলা দেৱীয়ে কৈছে—যে এই অনাস্থা প্রস্তাৱটো অনা হৈছে "ধ্বংসাত্মক মনোবৃত্তিৰে" এই কথা সঁচা যে আমি দুর্নীতিক ধ্বংস কৰি সুনীতি প্রতিষ্ঠিত কৰিব খোজোঁ। পাপক পৰাস্ত নকৰাকৈ ধর্ম্মৰাজ্য স্থাপন কৰিব নোৱাৰি। যেতিয়ালৈকে দুর্নীতি দূৰ কৰি সুনীতি প্রতিষ্ঠা কৰিব নোৱাৰি, তেতিয়ালৈকে দুর্নীতিয়ে সুনীতিয়ে মিলাই উপাদেয় খিচুৰী কৰিব নোৱাৰি। সেই কাৰণেই অনাস্থা প্রস্তাৱ অনা হৈছে। এই প্রসঙ্গত সোধা হৈছে যে আপোনালোকে

কেনেকৈ এই কাম কবিব ? বিকল্প চবকাব গঠন কবিব পবা বিধব শক্তি আৰু সংহতি আপোনালোকব নাই। শ্রীযুত শবৎ চন্দ্র গোস্বামীয়ে যিটো কথা কৈছে সেইটোকে শ্রদ্ধেয় শ্রীযুত শর্ম্মা ডাঙবীয়াই, আৰু মিঠা ভাবে, খুহুতীয়া ভাবে কৈছে তোমালোক যি সকল আহিছা তোমালোক দেখোন "বহাব বহদৈ তিপামব ভাদৈ শনগুবিব আঘোণী বাই তিনিও তিনিবে ডিঙিত ধবি কান্দিছা, সম্বন্ধব একোটা নাই ! তেখেতব এই কথাব বাবে আমি তেখেতব ওচবত কৃতজ্ঞ। তেখেতে আমাক সকিয়াই দিছে যে যদি আমি দুর্নীতিক পবাস্ত কবি সুনীতিব ওপবত প্রতিষ্ঠিত চবকাব গঠন কবিব খোজোঁ, তেন্তে আমাব ভিতবত যি ঐক্য আছে তাক আৰু সুদৃঢ় কবিব লাগিব। এই কথা স্মবণ কবিয়ে শ্রীযুত ববা ডাঙবীয়াই কৈছে যে আমি তাব বাবে প্রস্তুত হব লাগিব। এই সমালোচনাব প্রসঙ্গত আমি দুনাই কওঁ যে আমাব ভিতবত যি তিনিটা দলব তিনটা মত—অৱশ্য পাহাবী দলব কথা কব নোৱাবোঁ—সি পবস্পব বিবোধী নহয়। "আইব ভায়েক মোব হয় মোমাই, মোমাইব ভিনীয়েক মোব হয় কি ? আই, বোপাই, পিতা পুত্রব সম্বন্ধব দবে পিতা মাতাব সম্বাব দবে আমাব পবিয়াল—এই পবিয়ালে ভাল কামত আগবাঢ়ি যাব পাবে আৰু দুর্নীতি পবাস্ত কবিবলৈ যাব পাবে আৰু নিজব সুকীয়া মতবাদো বাখিব পাবে মই ৰূব খুজিছোঁ। যে এই মহৎ কাম কবিবলৈ আমাব সকলো দুর্ব্বলতা দূব কবি আৰু বেচি ঐক্যবদ্ধ হব পাবোঁ আৰু হবই লাগিব।

তৃতীয়তে আৰু এটা কথাত আমি একমত। কোৱা হৈছে যে খাদ্য আন্দোলন যে হৈছে ইয়াব পিছত বাজনীতি আছে। মই কওঁ হয় আছে। তাবপিছত মাটিব আন্দোলনেও যি তীব্র ৰূপ লৈছে আৰু ভবিষ্যতে আৰু তীব্রতব ৰূপ লব তাতো বাজনীতি আছে। ভবিষ্যতেও থাকিব। সেই বাজনীতিটো কি ? সেই বাজনীতি হৈছে সমাজত শোষক ৰঘুমলা শ্রেণীব বিৰুদ্ধে শ্রমজীৱী জনতাব অভ্যুত্থান।

মানুহে সমাজত কাম কবে সংঘবদ্ধ ভাবে থাকিব লগীয়া হয়, তাত বাজনীতি থাকিবই। মানব সমাজব প্রায় প্রত্যেক ক্ষেত্রতে বাজনীতি আছে নাই বুলি মই নকওঁ। মানব সমাজ বাজনীতিক ভিত্তি

কৰি গঢ়ি উঠে—আৰু ৰাজনীতিক ভিত্তি কৰিয়ে আগবাঢ়ে। উৎপাদন ব্যৱস্থাৰ মালিক কোন, এই মৌলিক ৰাজনীতিক দ্বন্দ্বাই সমাজ বিকাশৰ ধাৰা।

আজি যি সকলৰ খাদ্য নাই সেই সকলে যেতিয়া আহি খাদ্যৰ কাৰণে সংঘবদ্ধ হৈ আন্দোলন কৰিছে বা আন্দোলন কৰিবৰ আৱশ্যকতা বোধ কৰিছে তেতিয়া অৱশ্যে তেওঁলোকৰ ভিতৰত বহুত অৰ্থত ৰাজনীতি আছে। তাৰ পিচত সেই সকল বুভুক্ষৰ যিসকল প্ৰতিনিধি তেওঁলোকেও যেতিয়া বুভুক্ষ সকলৰ প্ৰতিনিধি হিচাবে অনুভৱ কৰে ভাবে তেতিয়া আৰু সেই সকলক জনসাধাৰণৰ প্ৰতিনিধিয়ে নিবৱ নিস্পন্দ হৈ থাকিব নোৱাৰে। এই প্ৰক্ৰিয়াত এবিধ ৰাজনীতি, আনহাতে যিসকলে এই লোকসকৰ ওপৰত লাঠি চাৰ্জ্জ কৰিবৰ কাৰণে, কন্দুৱা গেচ দিবৰ কাৰণে বা পাইপৰ পৰা গৰম পানী চটিয়াবৰ কাৰণে নিৰ্দ্দেশ দিয়ে তেওঁলোকৰো ৰাজনীতি আছে।

ইয়াৰ পৰা বাস্তৱ ৰাজনীতিক দুই শ্ৰেণীত ভাগ কৰিব পাৰি, এবিধ জনসাধাৰণ মুখী ৰাজনীতি আৰু আন বিধ জনসাধাৰণ বিৰোধী ৰাজনীতি। পিচৰ বিধ ৰাজনীতি কংগ্ৰেছ চৰকাৰৰ; আমি কিন্তু প্ৰথমবিধ ৰাজনীতিকহে সমৰ্থন কৰোঁ। চৰকাৰৰ পক্ষৰ লগত আমাৰ এইটোৱেই মৌলিক ৰাজনৈতিক পাৰ্থক্য। তাৰ পিচত মই কওঁ যে Luise XVI ৰ দিনত যেতিয়া জনসাধাৰণে কটিৰ কাৰণে ৰাজপ্ৰসাদৰ চাৰিওফালে "কটিলাগে কটিলাগে" বুলি হাহাকাঁৰ কৰিছিল আৰু ৰাজহাউলীৰ শান্তি ভঙ্গ কৰিছিল তেতিয়া মেৰী এণ্টয়নেট নামৰ ৰূপহী গাভৰু ৰাণীগৰাকীয়ে অট্টালিকাৰ বেল্কনীৰ কোনো এডোখৰ ঠাইত থিয় হৈ সুধিছিল এই মানুহবিলাকে এনেকৈ চিঞৰি চিঞৰি নিজৰো টেটু ফালিছে আৰু আমাৰো শান্তি ভঙ্গ কৰিছে কিয়? কোনোবাই কলে যে সিহতৰ খাবলৈ কটি নাই তেতিয়া দ্ৰাৰিদ্ৰৰ লগত অপৰিচিতা সেই ৰাণীয়ে কৈছিল "কটি নাই যদি কটি কটি কৰি হাহাকাৰ নকৰি কেককে নোখোৱা কিয়? বেচেৰী ৰাণীয়ে জনা নাছিল যে যাৰ কাৰণে খাবলৈ কটিও নাই তাৰ কাৰণে কেক এটা উপহাস মাত্ৰ। সদায় ৰাজ অট্টালিকাৰ ভিতৰত থাকি নানা উপভোগৰ

সামগ্রী লৈ বেচেবী বাণীয়ে এই উপহাস মুবুজাটো দোষৰ কথা নহয়। থিক তেনেদৰে আমাৰ শ্রদ্ধেয় শ্রীযুক্ত দেবেশ্বৰ শর্ম্মা ডাঙৰীয়াই "cozy" মটৰ গাড়ীৰ পৰা ওলাই আহিব লগাটোত যি অসুবিধা অনুভৱ কৰিলে তাৰ বাবে আমি দুখীত। তেখেতে কোনো দিনে বুভুক্ষুৰ অভাৱৰ তাড়না অনুভৱ কৰি পোৱা নাই গতিকে এই খাব নোপোৱা মানুহবোৰে "ভাত লাগে কাপোৰ লাগে" বুলি চিঞৰি মৰাৰ অর্থ বুজি নেপায়। এই লেভেৰা লৰা ছোৱালীবোৰ স্কুললৈ নগৈ কেনেকৈ ৰাজআলিত হাহাকাৰ কৰি থেখেতৰ মটৰ গাড়ীৰ পথ ৰোধ কৰে বুজিব নোৱাৰে। তেখেতেতো নেজানে যে সিহতে কিহৰ তাড়নাত এই দৰে আলিবাটত নামি চিঞৰ বাখৰ কৰিব লগীয়া হৈছে। মই তেখেতক দোষ নিদিও। বেচেবী "মেৰী এণ্টয়নেট !!"

তেখেতে কেনেকৈ বুজিব খাদ্যৰ অভাৱত প্রীপিড়ত মাক বাপেকৰ নিজৰ লৰা-ছোৱালীক ভাত এমুঠি দিব নোৱাৰি কি মানসিক অৱস্থা হয় ? বহু ঠাইত মাক-বাপেকে ভাত দিব নোৱাৰি আনকি নিজৰ সন্তানক হত্যা কৰিছে উপায় নেপাই নিজেও আত্মহত্যা কৰি মৰিছে এইবোৰ কথা খবৰৰ কাগজত ওলাইছে, কিন্তু তেখেত সকলৰ চকুত হয়তো পৰা নাই। চৰকাৰে পৰোক্ষ ভাবে স্বীকৰ কৰিছে-শিৱসাগৰ জিলাতে যি সকলৰ মাজৰ পৰা আমাৰ মুখ্যমন্ত্রী মহোদয় আহিছে—সিদিনাখন মাত্র দুটা চেমনীয়া শিশুৰ খাদ্যৰ অভাৱত মৃত্যু হৈছে। অকল সেয়ে নহয়, আমাৰ অসমত যি ঠাইক খাদ্যৰ ভাণ্ডাৰ বুলি কোৱা হয়—সেই নগাওঁ জিলাতে খাদ্যৰ অভাৱত মানুহৰ মৃত্যু হৈছে। কিন্তু তেখেত সকলৰ বহুত কাম থাকে ; গতিকে কাগজ পঢ়াৰ সময় নাই ! Publicity বিভাগৰ পৰাও বোধহয় paper cuttings আদি পঠোৱা নাই ; গতিকে সেই সম্পর্কত কি ঘটনা ঘটিছে তাক জনাৰ তেওঁলোকৰ অৱকাশ নাই !

এই সন্দর্ভত মই এটা কথা কওঁ। সেই সকল সমস্যাৰ লগত ময়ো একমত যে আমি এই কথাবিলাকত সমষ্টিবাদ, স্থানীয়তাবাদ বা সাম্প্রদায়িকতা অনাটো উচিত নহয়। এতিয়া মই পূৱ নলবাৰীৰ বৰভাগ সমষ্টিৰ পৰা নির্ব্বাচিত হৈ আহিছো। সেইবাবে যদি মই এই কথাকে

গাই থাকোঁ যে মোৰ সমষ্টিটোক অৱহেলা কৰিছে আৰু বাকীবিলাকক আস্মান ঘনাইছে সেইটো সত্যকথা নহয়। যি সমষ্টিৰ পৰা মুখ্যমন্ত্রী ডাঙৰীয়াই আহিছে, সেই সোণাৰী সমষ্টিকো সোণাৰীৰ হতুৱাই সোণাৰে বন্ধোৱা হোৱা নাই। তাতো চাহ বাগানৰ বনুৱাৰ সেই একে অৱস্থা। তাৰো দুখীয়া খেতিয়ক আৰু খেত মজুৰৰ সেই একে অৱস্থা। সমগ্র অসমৰ কৃষকৰ আৰু বনুৱাৰ একে অৱস্থা; সমগ্র অসমৰ জনসাধাৰণৰ সাধাৰণ ভাবে কৱলৈ গলে সেই একে অৱস্থা। কথা হৈছে এটা আলিত যেতিয়া মাছ দি যেতিয়া ভৰকাৰী কৰা হৈছে, এটা মাছ দিলেও গোটেই আলি আমিষ হৈছে তাত আৰু নিৰামিষ নাই। যদি কোনোবা বামুণৰ বিধবা তিৰোতা আহি সেই আমিষ ভৰকাৰী আলিৰ পৰা নিৰামিষ ভৰকাৰী এচামুচ বিচাৰে তেওঁ সেইটো নেপায়, পাব নোৱাৰে। মাছ দিবৰ সময়ত ভিনভিন জনৰ ভাগত হীন-দেবি হব পাৰে; কিন্তু সকলোৱে আমিষ ভৰকাৰীহে পাব। জমিদাৰ পুঁজিপতি শ্রেণীৰ চৰকাৰৰ আমোলত সমগ্র দেশতে মৌলিক ব্যৱস্থা একে ধৰণৰ। সেই কাৰণে আমি ইয়াৰ উপসম নিৰিচাৰো বিচাৰো উচ্ছেদ। তাৰ বাবে লাগে সামগ্রীক ঐক্য।

আমি যদি আমাৰ ভাগ লৈ নিজৰ ভিতৰতে হাই-কাজিয়া কৰি থাকো, যদি মইকুমা বা থানাৰ গণ্ডীৰ পৰা আমাৰ দৃষ্টি বাহিৰলৈ যাবলৈ অক্ষম হয়, তেতিয়া আমি আমাৰ লক্ষস্থানত কেতিয়াও উপনীত হব নোৱাৰিম, স্থানীয়তাবাদে গণ-আন্দোলনক পঙ্গু কৰি তাৰ সর্ব্বনাশ সাধিব। আমি যেতিয়া কোনো এটা সমষ্টিৰ প্রতিনিধি হৈ বিধান সভালৈ আহো তাৰ পিচত আমি ভবা উচিত নহয় যে আমি সেই সমষ্টিৰহে সদস্য—আমি ইয়ালৈ আহিছো বিধান সভাৰ সদস্য হিচাবেহে। আমি যদি সমগ্র অসমৰ দৃষ্টিভঙ্গী বাখিব নোৱাৰো, যদি অকল স্থানীয়বাদী ভাৱত বা সমষ্টিগত ভাৱত আবদ্ধ থাকো তেন্তে দেশৰ সর্ব্বনাশ সধা হব। মোৰ বন্ধুশ্রীআটোৱাৰ বহমান চাহাবক মই শ্রদ্ধা কৰোঁ, কিন্তু তেখেতে এটা মাৰাত্মক কথা কৈছে যে corruption is all-corruption সকলোবে আছে তেখেতে এই কথা কৈ সমস্যাটো এৰাই যাব খুজিছে, তেখেতে কৈছে যে কংগ্রেছত থকা বিলাকৰো corruption আছে

লগতে আন মালিকবো corruption আছে। এই কথা কৈ দুর্নীতিৰ তীব্রতাক লঘু কৰি দিয়া বা তাক এটা Board Social Base অর্থাৎ বিস্তীর্ণ সামাজিক ভিত্তি দিয়াটো অনুচিত। আমাৰ পক্ষে উচিত যতে দুর্নীতি ধৰা পৰে ততেই তাক চূৰান্ত আঘাট দিব লাগে। আমাক কওক অধ্যক্ষ মহোদয়ে যি চৰকাৰ সজ্ঞানে দুর্নীতিৰ ওপৰত প্রতিষ্ঠিত, সেই চৰকাৰৰ ওপৰত আমাৰ জনসাধাৰণে আস্থা কি বুলি ৰাখিব? আপুনিয়ে কওক যে আমাৰ কাৰণে মন্ত্রী সভা আদর্শণীয়নে?

Avoice—কেতিয়াও নহয়

চৰকাৰ পক্ষত থকা লোকসকলৰ ভিতৰতো যিসকল মোৰ বয়োজ্যেষ্ঠ তেনেলোকক মই শ্রদ্ধা কৰোঁ আৰু যিসকল মোৰ বয়োকনিষ্ঠ সেই সকলক মই স্নেহ কৰোঁ। কিন্তু এই মন্ত্রী সভাই অসমৰ জনসাধাৰণৰ কাৰণে এটা উৎসাহ এটা উদ্দিপনা যোগাব পাৰিছে নে? মুখ্য মন্ত্রী মহোদয় কৈছে যে, গোটেই ভাৰতৰ যিবোৰ সমস্যা সেই নানান সমস্যাত অসমো জর্জ্জৰিত হৈছে, তাক এবাৰ নোৱাৰে কিন্তু তাৰ উপৰিও আমাৰ নিজৰো কিছুমান বিশেষ সমস্যাত আছে। কিন্তু তেখেতে বুকুত হাত দি কব পাৰেনে যে তেখেতৰ মন্ত্রীসভাই অসমৰ জনসাধাৰণক আজি উদ্বুদ্ধ কৰিব পাৰিছে? তেখেতৰ মন্ত্রীসভা কিমান তললৈ নামিছে তাকো তেখেতে কব নোৱাৰে। অৱশ্যে তেখেতে যিদিনা কৈছিল যে মন্ত্রীসভা যোগ্যতা-অযোগ্যতা অনুসৰি পতা নহয়। মন্ত্রী সভাত অন্যান্য আৰু বহু কথা আছে। কিন্তু যি সকলক তেখেতে মন্ত্রী হিচাবে বাচি লৈছে, সেই সকল ৰহাৰ ৰছদৈও নহয়, তিপামৰ ভাদৈও নহয়, শনগুৰীৰ আঘোনী বায়ো তাত নাই। সকলো কেইজন একে পন্থী অর্থাৎ কংগ্রেছী। কিন্তু মন্ত্রীসভাত থকা কংগ্রেছ দলৰ যিখিনি most representative elements সেই সকলে কি ধর্ম্ম অচৰিছে?

কথাতে আছে আপুনি আচৰি ধর্ম্ম অপৰে শিকায়। উদাহৰণ হিচাবে মই কওঁ এই কংগ্রেছে এটা নীতি লৈছিল যে মদ নিবাৰণ কৰিব। মই কাৰো প্রতি অসম্মান নেদেখুৱাই কত যে মুখ্যমন্ত্রী ডাঙৰীয়াই কওঁক যে অন্ততঃ ৫ জন তেখেতৰ মন্ত্রী সভাৰ মন্ত্রী মদ্যাশক্ত হয় নে নহয়? তেনেস্থলত তেখেতৰ মন্ত্রী সভাই যদি এই বিষয়ে অসমৰ নেতৃত্ব কৰিবলৈ যায় কোনে তেওঁলোকক মানিব বা শ্রদ্ধা কৰিব? আপোনালোকে "এইটো কৰক" বুলি

উপদেশ দিয়াৰ আগতে নিজেও সেইটো কৰিব লাগিব, তেতিয়াহে আনক কবৰ অধিকাৰ থাকে ।

গতিকে দেখা গ'ল আজি কিছুমানে ৰাজ্যক্ষমতাৰ Alcohol খাই উন্মত্ত হৈছে, কিছুমানে ফটিকাৰ Alcohol খাই উন্মত্ত হৈছে আৰু কিছুমানে ক্ষমতাৰ গোন্ধ পায়েই উন্মত্ত হৈছে ।

কেৱল "Do Good" বুলি কলেই নহব নিজেও সৎআচৰণ কৰিব লাগিব । আজি এই সদনৰ ভিতৰতে সুৰাপান কাৰীৰ প্ৰযোদন হোৱা দেখা গৈছে । দুৰ্ভাগ্যৰ কিষয় যে কাক আমি প্ৰতিনিধিত্ব কৰিবলৈ আহিছো সেইটো আমি পাহৰি যাও । সেই কাৰণে কওঁ প্ৰতিনীধিত্বৰ দায়িত্বৰ লগত আত্মবিশ্লেষণ নিবিড় ভাবে জড়িত হৈ আছে । ইয়াকে কৰিব নোৱাৰিলে বা নকৰিলে ৰাজ্যৰ কোনো দিশতে কোনো পৰিবৰ্ত্তনৰ আশা কৰিব নোৱাৰি । আমি দেৱ-দূত নহয় আৰু কোনোবাই যদি কয় আমি ভুল নকৰো তেতিয়া হয়তো তেওঁলোক দেৱতা নহলে মিছলীয়া । কিন্তু সেইবুলি ভুলতে পুনৰাবৃত্তি হৈ থাকিব কিয় ? মন্ত্ৰী সকলে একেটা ভুলকে বাবে বাবে কৰি থকা দেখা গৈছে নে নাই ?

সিদিনা মুখ্য মন্ত্ৰীয়ে কৈছিল যে অসমৰ কমলা বাৰী কিছুমান বেমাৰত মৰি গৈছে সিবিলাক ভাল কৰাৰ উপায় নাই । বিশেষজ্ঞ সকলে কৈছে যে সেইবিলাক গছ উঘালি পেলাৱৰ হল । আমাৰ মন্ত্ৰী সকলে কব পৰা নাই যে সেই বেমাৰে মন্ত্ৰী সভাকো পাইছে । আমাৰ প্ৰস্তাবৰ উত্তৰ দিয়াত আমি আনন্দ পাইছো; কিন্তু আমি কোনো পৰিবৰ্তন দেখা নাই । একেটা কথাৰ কাৰণে বাবে বাবে লাগি থাকিব লগা হৈছে । আমাৰ কংগ্ৰেছী চৰকাৰ দু�ৰাৰোগ্য ৰোগত ভুগিব ধৰিছে । ই চিকিৎসা আৰু সংশোধনৰ অতীত হৈ গৈছে । গতিকে ইয়াক নাতৰাণে দেশত মঙ্গল নাই সেইবাবে আমাৰ অনাস্থা প্ৰস্তাৱ বাহাল থাকিব

Ayes

1. Shri Abala Kanta Goswami
2. M. A. Musawwir Choudhury
3. Shri Atul Chandra Goswami
4. Md. Azad Ali

5. Shri Benoy Krishna Ghose
6. Shri Bhadreswar Gogoi
7. Shri Bhubaneswar Barman
8. Shri Bhadra Kanta Gogoi
9. Shri Bishnu Prasad Rava
10. Shri Dulal Chandra Barua
11. Shri Gaurisankaer Bhattacharyya
12. Shri Giasuddin Ahamed
13. Shri Govinda Kalita
14. Shri Hiralal Patwary
15. Shri Jalaluddin Ahamed
16. Shri Jatindra Mohan Borbhuyan
17. Shri Kabir Chandra Ry Pradhani
18. Shri Kamini Mohan Sarma
19. Shri Kandarpa Narayan Banikya
20. Shri Kehoram Hazarika
21. Shri Lakshya Dhar Choudhury
22. Shri Maneswar Boro
23. Shri Matilal Kanoo
24. Shri Matilal Nayak
25. Md. Matlebuddin
26. Shri Mohidhar Pegu
27. Shri Phani Bora
28. Shri Pitsing Konwar
29. Shri Premadhar Bora
30. Shri Promode Chandra Gogoi
31. Shri Ramesh Mohan Kouli
32. Shri Sailen Medhi
33. Shri Sarat Chandra Rabha

34. M. Shamsul Huda
35. Shri Soneswar Bora
36. Dr. Surendra Nath Das
37. Shri Tazammul Ali Laskar
38. Shri Zahirul Islam

Noes

1. Shri Bimala Prasad Chaliha
2. Shri Chatraseing Teron
3. Shri Debredra Nath Hazarika
4. Shri Joybhadra Hagjer
5. Shri Kamakhya Prasad Tripathi
6. Shri Lakshmi Prasad Goswami
7. Shri Mahendra Mohan Choudhury
8. Shri Mahendra Nath Hazarika
9. Shrimati Padma Kumari Gohain
10. Shri Prabin Kumar Choudhury
11. Shri Ramesh Chandra Barooah
12. Shri Syed Ahamed Ali
13. Shri Sai Sai Terang
14. Shri A. Thaughera
15. Shri Abdul Matlib Mazumdar
16. Shri Abul Kasem
17. Shri Altaf Hussain Mazumder
18. Shri Ataur Rahman
19. Shri Azizur Rahman Choudhury
20. Shri Bahadur Basumatary
21. Shri Bazlul Basit
22. Dr. Bhumidhar Barman
23. Shri Bishnuram Medhi

24. Shri Biswanath Upadhyaya
25. Shri Biswadev Sarma
26. Shri Chatsra Gopal Karmakar
27. Shri Dandi Ram Dutta
28. Shri Debeswar Sarmah
29. Shri Dev Kant Barooah
30. Shri Dhani Ram Rongpi
31. Shri Dharanidhar Choudhury
32. Shri Gajen Tati
33. Shri Govnida Chandra Bora
34. Shri Golok Chandra Patgiri
35. Shri Jadu Nath Bhuyan
36. Shri Jogen Saikia
37. Shri Karuna Kanta Gogoi
38. Shri Lakheswar Das
39. Shrimati Lilysen Gupta
40. Shri Malia Tanti
41. Rani Manjula Devi
42. Shri Manik Chandra Das
43. Shri Mathura Mahan Sinha
44. Shri Mera Chouba Singha
45. Shri Mohi Kanta Das
46. Shri Nakul Chandra Das
47. Shri Narayan Chandra Bhuyan
48. Shri Narendra Nath Sarma
49. Shri Paramananda Gogoi
50. Shri Prabhat Narayan Choudhury
51. Shri Prafulla Choudhury

52. Shrimati Pranita Talukdar
53. Shrimati Pushpa Lata Das
54. Shri Pushpadhar Chaliha
55. Shri Raheswar Konwar
56. Shri Sadhan Ranjan Sarkar
57. Shri Sarat Chandra Goswami
58. Shri Surendra Nath Das
59. Shri Surendra Nath Barua
60. Shri Tilok Gogoi
61. Shri Upendra Nath Sanatan
62. Shri Uttam Chandra Brahma

Mr. Speaker : Order ! Order !

The result of the division is :

Ayes 38

Naes 62

The Motion is lost.

Calling Attention To A Matter of Urgent Public Importance. Absence of Assamese employees and indegenious products in the Assam Govt. Marketing Corporation emporium in Calcutta.

Mr. Speaker; Item No 3 in the name of Shri Soneswar Bora, Shri Atul Chandra Goswami and Shri Bhadreswar Gogoi.

Shri Soneswar Bora :

মহাশয়,

অসম বিধান সভাৰ বিধিৰ ৫৪ ধাৰা অনুযায়ী আমি অসমৰ শিল্পমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণাৰ্থে নিম্ন লিখিত জাননী দাখিল কৰিলো। এই বিষয়টো অসমৰ জন স্বাস্থ্যৰ অত্যন্ত গুৰুত্বপূৰ্ণ বিষয়। এই কাৰণেই এই জাননী দাঙি ধৰিলো।

বিষয়টো হ'ল ২৩।৮।৬৭ তাৰিখৰ অসম বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত পৰিবেশন কৰা "অসম গৱর্ণমেণ্ট মাৰ্কেটিং কৰ্পবেশ্যনৰ কলিকতা এম্পৰিয়ামত অসমীয়া কৰ্ম্মচাৰী নাই। তাত অন্য ঠাইৰ সামগ্ৰীহে বিক্ৰী কৰা হয়।

ওপৰোক্ত মৰ্ম্মে এই বাতৰিটো অসম বাতৰি কাকতত ওলাইছে আৰু এই বাতৰি প্ৰকাশ হোৱাত অসমৰ বাইজৰ মাজত ভীষণ চাঞ্চল্যৰ সৃষ্টি হৈছে।

Shri Biswadev Sarma (Minister Industries) :— Mr. Deputy Speaker, Sir, at present there is no Assamese employee in the Calcutta Emporium but the present Manager is a permanent resident of Assam. The Corporation had a number of Assamese Emloyees in the Calcutta Emporium earlier but all left one by one when they get better chances elsewhere. The pay scale of our Salesman/girl (which is a Govt. of Assam pay scale) is not attractive enough to draw youngmen and women from Assam to work in the Calcutta Emporium. Attempts were made to persuade some of the existing employees of the Assame set up of the Corporation to work in the Calcutta Emmporium but none of them agreed to go to Calcutta primarily because of the accommodation problem. So far as the post of the Manager is concerned it was advertised in the news papers ("Assam Tribune" & "Statesman") and no suitable Assamese candidate was found. Under the circumstances, present Manager was recruited for a period of three years on contract basis on tne consideration that he was acquainted with Assam products and background.

Shri Dulal Chandra Barua (Charaibahi) :- Mr. Deputy Speaker, Sir, as the Minister stated that there is no qualified local

* Speech not Corrected.

person for the job. May I know from Minister whether the post is advertised ?

Shri Biswadev Sarma :- Yes, the post was advertised. It was not correct to say that articles from other States only are sold in the Calcutta Emporium of the Assam Marketing Corporation Limited. All Assam products namely, Eri, Muga, Pat and all types of Cotton Handloom Textiles made in Assam as well as Handicrafts like cane & bamboo products, Bell metal articles, Ivory articles of Assam are sold there. Since the available accommodation is 2400 sq. ft. and the rental is very high, we have to store selected articles from other States also to utilise the available floor space and to make up a portion of the house rent. Arrangements are being made to shift the Emporium to the Assam House compound soon where only Assam products will be sold.

Mr. Deputy Speaker :— Now, item No. 4. Shri Debeswar Sarma.

Shri Debeswar Sarmah (Titabor) :—Mr. Deputy Speaker, Sir, I put rule 50 of the Rules of Procedure & Conduct of Business in the Assam Assembly and duly supported. The motion was in respect of Messrs Assam Hard Board and calling attention was given previously in last Session. Reply was given by the Minister. The whole scheme was specialised without doing it properly cared. The Govt. Stood security for sixty lakhs provided by the Industrial Finance Corporation and only 50./· of the work is completed. May I know from the Minister whether Govt. stood security for a fiftyfive lakhs ? I wonder, who sponsored the Assam Hard Board ? Who are their creditors and who drew and prepare the project report and when it was prepared and

* Speech not Corrected.

who scrutinised the project report and the Company ? What was the total amount against this security of sixty lakhs, it should be fifty lakhs. I.F.C.I. provided but it was from outside. Did not the Govt. stood security many other loans from many other sources ? Messrs Hard Board Company is unreliable which produces the low standard products than on finished products. Who were the Directors, how much each of these officers drawing ? Who is conducting the business ? Statement made by the Govt. shows loss rather than making profit of the country, but only pay the electric changes which amounted to about four lakhs and as a result, the factory had to be closed down. Who begile our Assam Govt. that took a large sum of money for their pockets and produce sub-standard things. Will the Govt. cause an enquiry on this thing ? I hope, Govt. will give proper reply, please ?

Shri Biswadev Sarma :— The Govt. of Assam have invested Rs. 5 lakhs in 9.3./· redeemable preference shares in M/S Assam Hard Board. Though every paisa of public money should be valuable as far as the Government are concerned, it is not correct to hold, as the Hon'ble members seem to think, that the Government of Assam invested a huge amount of money. An amount of Rs. 5 lakhs out of a total paid up share capital of Rs. 60 lakhs is not a "huge investment." The money was invested out of plan funds and under a general all-India pattern scheme of investment in private sector indestries designed to encourage and sustain their growth. The money was invested as the project was considered good by all concerned including the Govt. of

* Speech not Correted.

India and the I.P.C. It was also apparent that Assam had enough raw materials to feed this industry. There are, however, certain inherent risks in every industry and profit being dependent on so many unforeseen and changing factors can hardly be a matter of guarantee. The prospects of an industry are assessed on reasonable presumptions based on the circumstances prevailing at the time of its inception. Sometimes such calculations do go wrong as in this case. The anticipated demand during the third plan did not materialise, the interest charges of the doller loan has gone up owing to devaluation, the market preference tended for plywood in place of hardboard, the cost of fuel went up from Rs. 155·00 per tonne at the time of the project report to Rs. 257·49 at present, the electricity tariff went up by 45./ resulting in an increase in the cost of production.

Shri Debeswar Sarmah :— Mr. Deputy Speaker, Sir, this is a tell-tale story. If the hon Minister is not equipped with informations and facts, let us stand all.

Shri Biswadev Sarma :— I am giving the information, what else can I do ?

Shri Gaurisankar Bhattacharyye (Barbhag) :—Mr. Deputy Speaker, Sir, on a point of order, according to the rules of this House, this calling attention over the rule 54 and regarding discussion rule 50 are not one and same thing, so, I think, the Hon 'hle Member is perfectly justified, when there was a calling attention motion there was rule 154, because statement did not justfy the House. The Hon'ble Member took recource to rule 50 to raise a full discussion

why should the Hon'ble Minister be annoyed ?

Shri Debeswar Sarmah :— Let it stand all, it is nothing but sucking the blood of Assam.

Mr. Deputy Speaker :— Mr. Sarmah, Let the Minister finish his reply.

Shri Debeswar Sarmah:—Allright, Sir, let him go on, I withdraw.

Shri Biswadev Sarmah :— Sir, the cost of production was calculated at Rs. 772·40 per tonne but owing mainly to the above factors the cost of production per tonne rose to Rs. 1584.35 per tonne in the eight months from 1.4.66 to 1.12.66. While the cost of production thus increased two fold, the market rate per square foot of hardboard came down from 75 paise in 1960 to 30 paise in 1967. As a result of this the products could not be sold and a large stock accumulated. Under these circumstances there was no point in engaging in production for production for production's sake and there was no way out but to stop production. The factory was therefore closed on 1.6.67 and the workers laid off. The workers were to be finally retrenched on 1.10.67 but there was a dispute regarding the proposed adjustment of retrenchment compensation with the lay off compensation. Some workers went on hunger strike on this issue from the 25th. of October but it was called off on the 2nd. November last,

It is therefore true that Government investment to the tune of Rs. 5 lakhs is some what jeopardised at present unless there is favourable market response to hardboard and the general recession in the industry recedes. It is worthwhile to point out that another hardboard factory

of the remaining two in the rest of the country is also closed down. It is not a fact, however, that the Government of Assam stood security for Rupees sixty lakhs advanced as loan by the I.F.C. The I.F.C. has granted loan on the mortgage of the Company's assents, and no guarantee has been given by the Government of Assam. The I.F.C. loan is fully secured and is not likely to be lost.

Government are, however, keenly aware that the problem of M/S Assam Hardboard is not only a matter of jeopardy or even loss of investment. Of greater importance are the effects of closure of this industry on the employment situation and the general investment climate in industry in the State. There is also loss of forest royalty and sales tax revenue apart from the loss of incidental benefits that an industry brings to the general economy. These are, though incalculable are of much greater value than tangible investment in terms of money. Every efforts has therefore been made to revive this industry.

At present the market is still dull but there are reasons to expect that the market may look up yet. Efforts are also being made to get the production diversified by adopting the machinery to some other possible use. I may as well make one point clear here. In such public limited Companies apart from the loan taken from Government sponsored bodies, there is substantial investment by the promoters. Here the paid up share capital of the Company is Rs. 60 lakhs. Rs. 55 lakhs have therefore come from sources other than Government, i. e. mainly from the

promoters. It is, therefore, hardly in the management's interest to keep the factory closed. The management is therefore expected to take all steps to run the factory provided it is supported by sound commercial considesations. Government are however, impressing on the management the necessity of reopening the factory and have moved the Government of India to consider favourably the reliefs requested by the Company. The reliefs that can be given by the State Government involve general principles. These are under examination. Government are requesting the I.F.C. to hold an inquiry into the affairs of the Company.

Sir, with regard to the promoters, the promoters are the Somanis and Pariwal– wellknown industrialists.

Shri Gaurisankar Bhattacharyya :— These Somanis and Pariwal, to which State do they belong ?

Shri Biswadev Sarma :— They are from Bombay.

Shri Hiralal Patwary :— Sir, the Somanis are from Rajasthan.

Shri Biswadev Sarma :— Might be so; their industries are mainly located in Bombay.

Adjournment

The Assembly then adjourned till 9 A. M. on Friday, the 10 th November 1967.

U. Tahbildar
Secretary
Legislative Assembly, Assam.

Shillong
The 9th Nov.' 67